# CLASSIFIED ADVERTISEMENT

**LAND & PROPERTY**

1K 15 Lessa near Kalicharan Nursing Home, 4 katha Dhirenpara, 2 bigha 1st plot near Baihata Chariali, 1 katha 6 lessa at Rehabari, 1 katha 1st plot Christianbasti, 3 bigha to 30 bigha industrial converted land near Rampur. Flat for sale: 1000 sqft full furnished at A.T. Road, 2100 sqft, 1680 sqft at Chatribari, 1980 sqft at Subham Buildwell Zoo Road, 942 sqft at main road Kalapahar, 2000 sqft at Kumarpara, 1500 sqft at Fancy Bazar. Office for sale- 1100 sqft at Ulubari, 2100 sqft Athgaon, 3500 sqft Panbazar, 2600 sqft Six mile: Contact: Shree Jain Properties: 9864034949. 68909

**REQUIRED**

Required civil engineers, supervisors, foreman having experience in piling job also required piling contractor for 1200mm Dia. Please contact : 6260815400.


## প্ৰথম পৃষ্ঠাৰ পৰা

## ৰাজ্যত ৪জন ব্লেক ফাংগাছ ৰোগী

উল্লেখ্য, মে'ৰ প্ৰথম সপ্তাহত কভিড পজিটিভ ধৰা পৰা কৰিমগঞ্জৰ অলক দেব নামৰ ৰোগীজনৰ পৰৱৰ্তী সময়ত শিলচৰ মেডিকেল কলেজ হাস্পতালে ব্লেক ফাংগাছত আক্ৰান্ত হোৱাটো নিশ্চিত কৰে। কিন্তু শিলচৰ মেডিকেল কলেজ হাস্পতালত নিউৰ'চাৰ্জাৰী বিভাগ নথকাত উন্নত চিকিৎসাৰ বাবে ৰোগীজনক ৫ জুনত জি এম চি এইচলৈ স্থানান্তৰ কৰা হয়। ৰোগীজনে এটা চকুৰে চিৰদিনৰ বাবে নেদেখা হৈ পৰে যদিও বাকী ৰোগৰ পৰা সুস্থ হোৱাত সেওবাৰে হাস্পতালৰ পৰা ডিচাৰ্জ দিয়া হয়। এই সন্দৰ্ভত জি এম চি এইচৰ অধ্যাপিকা তথা মিউকৰ'মাইক'চিছ ৰোগীৰ চিকিৎসা কমিটীৰ সদস্য ডাঃ ভাৰতী গগৈয়ে সংবাদ মাধ্যমৰ আগত কয়—'ৰোগীজনৰ স্বাস্থ্যৰ অৱস্থা বৰ্তমান স্থিতিশীল। সেইবাবেই তেওঁক ডিচাৰ্জ দিয়া হৈছে। ৰোগীজনৰ নাকৰ ভিতৰৰ 'কেভিটি' অংশৰ পৰা সংক্ৰমণ আৰম্ভ হৈছিল। একে সময়তে তেওঁৰ এটা চকুও আক্ৰান্ত হৈছিল। কাৰণ মিউকৰ'মাইক'চিছৰ বাবে এডাল নাৰ্ভ ক্ষতিগ্ৰস্ত হোৱাৰ ফলত তেওঁৰ নিৰ্দিষ্ট চকুটো অস্ত্ৰোপচাৰৰ কোনো প্ৰয়োজন নাই।' ইফালে অসম মেডিকেল কলেজ হাস্পতালত চিনাক্ত হোৱা লখিমপুৰৰ ব্লেক ফাংগাছত আক্ৰান্ত ৰোগীজনৰ স্বাস্থ্যৰ অৱস্থা বৰ্তমান সুস্থিৰ যদিও ২১ দিন ৰোগীজনৰ চিকিৎসা চলিব বুলি চিকিৎসালয় সূত্ৰই প্ৰকাশ কৰিছে। অন্যহাতে গুৱাহাটী ডাউন টাউন হাস্পতালতো ৫২ বছৰীয়া এজন ব্লেক ফাংগাছত আক্ৰান্ত চিনাক্ত হৈছে।

## কাৰ্বি আংলঙত বুজন পৰিমাণৰ ড্ৰাগ্‌সহ ধৃত ৩

নামৰ অতি দামী এই ড্ৰাগ্ মণিপুৰৰ ৰাজধানী চহৰ ইম্ফলৰ পৰা গুৱাহাটী অভিমুখে আনি থকা অৱস্থাতে জব্দ কৰে জিলাই আৰক্ষীয়ে। ড্ৰাগ্ সৰবৰাহকাৰী খৈৰম বসন্ত সিং, লক্ষী ডি আৰু পল্লাভিৰামক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ধৃত তিনিও ড্ৰাগ্ সৰবৰাহকাৰীৰ ঘৰ মণিপুৰৰ থাম্বল জিলাত। আৰক্ষীৰ মতে, উত্তৰ-পূব ভাৰতত আটাইতকৈ দামী ড্ৰাগ্‌ৰূপে পৰিচিত ব্ৰাউন ছুগাৰতকৈ বহুগুণে দামী এই মেথাফিটামাইন নামৰ ড্ৰাগ্‌বিধ। পূৰ্বোত্তৰত সাধাৰণতে এইবিধ ড্ৰাগৰ ব্যৱহাৰ দেখা নাযায়। ড্ৰাগ্ সৰবৰাহকাৰী তিনিওজনেই দেখাত অতি সাধাৰণ। আৰক্ষীৰ মতে এওঁলোকক কোনো ডাঙৰ চক্ৰ বা ডাঙৰ মানুহে ড্ৰাগ্ সৰবৰাহৰ কামত ব্যৱহাৰ কৰিছে। এই বাতৰি যুগুতোৱা পৰলৈকে আৰক্ষীয়ে ধৃত ড্ৰাগ্ সৰবৰাহকাৰীত্ৰয়ক জেৰা কৰি আছে আৰু 'ডাঙৰ মানুহ'ৰ সন্ধান উলিওৱাৰ চেষ্টা চলাই আছে।

## মহামাৰীৰ মেৰপেঁচ

কভিডকেন্দ্ৰিক নিষেধাজ্ঞা। দুই-এদিনৰ ভিতৰতে বিভিন্ন ঠাইত কভিডকেন্দ্ৰিক নিষেধাজ্ঞাৰ ঠেক বৃদ্ধি পোৱাৰহে সম্ভাৱনা এই মুহূৰ্তত স্পষ্ট হৈ পৰিছে। কভিডকেন্দ্ৰিক পৰিস্থিতি ভবা মতে উন্নত নোহোৱাৰ বাবেই ৰাজ্যত অব্যাহত থকা কভিড বাধা-নিষেধাজ্ঞা পুনৰ অনিৰ্দিষ্ট কালৰ বাবে বাহাল ৰাখিছে। গুৱাহাটীক বাদ দি ৰাজ্যৰ কেইবাখনো জিলাত ভয়ংকৰ হাৰত কভিডৰ সংক্ৰমণ ঘটিলেও চলিত কভিড বিধিৰ বিশেষ শিথিল নকৰিলে। সোমবাৰে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ তথা মুখ্য সচিব জিষ্ণু বৰুৱাই নতুন কভিড এছ অ' পি জাৰি কৰে। নতুন এছ অ' পি অনুসৰি গুৱাহাটীত দিনৰ ২ বজাৰ পৰা পুৱা ৫ বজালৈ সান্ধ্য আইন বাহাল থাকিব। অৰ্থাৎ গুৱাহাটীত দিনৰ ১ বজাত দোকান বজাৰ বন্ধ কৰাৰ নিৰ্দেশনা পূৰ্বৰ দৰেই বাহাল থাকিব। অৱশ্যে, গুৱালগুৰি, দক্ষিণ শালমৰা, মাজুলী, বঙাইগাঁও, চিৰাং, ডিমা হাচাও আৰু চৰাইদেউত বিগত ১০ দিনত ৪০০তকৈ কম লোক কভিডত আক্ৰান্ত হোৱাত নিয়মি পাঁচ বজাৰ পৰাহে সান্ধ্য আইন বলবৎ হ'ব। লক্ষণীয়ভাৱে কাছাৰ, শোণিতপুৰ, তিনিচুকীয়া, ডিব্ৰুগড় আৰু নগাঁও জিলাত সংক্ৰমণ বৃদ্ধি পোৱাত জিলাকেইখনৰ কভিড পৰিস্থিতি নিৰীক্ষণ কৰি শীঘ্ৰে কঠোৰ ব্যৱস্থা গ্ৰহণৰ ইংগিত প্ৰদান কৰিছে। লক্ষণীয় বিষয়টো হৈছে, ইতিপূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কভিড সংক্ৰমণ নিয়ন্ত্ৰণলৈ নহা শোণিতপুৰ, তিনিচুকীয়া, কাছাৰ, বিশ্বনাথ, গোলাঘাট, নগাঁও, ডিব্ৰুগড়, মৰিগাঁও আৰু যোৰহাট জিলাৰ পৰিস্থিতি বুধবাৰে কেবিনেটৰ বৈঠকত পৰ্যালোচনা কৰি লকডাউন সন্দৰ্ভত আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰিব বুলিও সদৰী কৰিছে। স্বাভাৱিকতেই এই জিলাকেইখনত যিকোনো মুহূৰ্ততে লকডাউন ঘোষণা কৰাৰ সম্ভাৱনা আছে। নতুন এছ অ' পি অনুসৰি পূৰ্বৰ দৰে বাকী জিলাসমূহত দিনৰ ১ বজাৰ পৰা পুৱা ৫ বজালৈ সান্ধ্য আইন বাহাল থাকিব। কভিড প্ৰতিষেধক লোৱা চৰকাৰী-বেচৰকাৰী কৰ্মচাৰী কাৰ্যালয়ত উপস্থিত থাকিব পাৰিব। গৰ্ভৱতী মহিলা আৰু ৫ বছৰৰ তলৰ শিশু থকা মাতৃয়ে ঘৰৰ পৰাই কাম কৰিব পাৰিব। দুচকীয়া বাহনতো মহিলা আৰু শিশুৰ বাহিৰে দুজন উঠিব নোৱাৰিব। আন্তঃজিলা যাতায়াত পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বন্ধ থাকিব। আনহাতে, ব্যক্তিগত বাহনত ১০০ শতাংশ যাত্ৰীয়ে ভ্ৰমণ কৰিব পাৰিব। অৱশ্যে, এই ক্ষেত্ৰত যাত্ৰীসকলে মাস্ক আৰু কভিড সম্পৰ্কীয় সাৱধানতা অৱলম্বন কৰিব লাগিব। বিবাহ বা অন্য ধৰ্মীয় অনুষ্ঠানত ১০জনতকৈ অধিক লোকৰ সমাগম হ'ব নোৱাৰিব। শেষকৃত্য অনুষ্ঠানতো ১০জন লোকহে উপস্থিত থাকিব পাৰিব।

### ৰাজ্যত একেদিনাই ৩৫জনৰ মৃত্যু

**'আমাৰ অসম'ৰ গুৱাহাটীৰ প্ৰতিবেদক :** ৰাজ্যত কভিডৰ নতুন এছ অ' পি জাৰি হ'লেও সোমবাৰে তুলনামূলকভাৱে সংক্ৰমণ হ্ৰাস পোৱা দেখা যায়। বিগত ২৪ ঘণ্টাত ৰাজ্যত কভিড সংক্ৰমণৰ হাৰ সৰ্বনিম্ন ১.৬৪ শতাংশলৈ নিম্নগামী হৈছে। স্বাস্থ্য বিভাগে দেওৱাৰ দিনটোত ৰাজ্যত মুঠ ১,৭০,৮৫৬ জন লোকৰ কভিড পৰীক্ষা কৰাৰ বিপৰীতে ২,৮০৫ জন লোকৰ দেহত পজিটিভ ধৰা পৰে। বিগত প্ৰায় কুৰি দিন দৈনিক প্ৰায় ৩,৫০০ কৈ লোক কভিডত আক্ৰান্ত হৈ আহিছিল যদিও সোমবাৰে আক্ৰান্তৰ সংখ্যা ৩ হাজাৰৰ তললৈ নামিল। সোমবাৰে গুৱাহাটীত ১৫৮ জন লোক আক্ৰান্ত হয় যদিও ইয়াৰ বিপৰীতে শোণিতপুৰত ১৬৫ জন, তিনিচুকীয়া ১৪৬ জন, গোলাঘাটত সৰ্বাধিক ৩০৬ জন, নগাঁও ১৫৫ জন আৰু ডিব্ৰুগড়ত ২১৭ জন লোকৰ দেহত পজিটিভ ধৰা পৰে। অৱশ্যে সোমবাৰে ৰাজ্যত কভিডত মৃত্যু হয় ৩৫ জন ৰোগীৰ। তিনিচুকীয়াত ৬ জন, কামৰূপ মহানগৰত ৪ জন, কাছাৰত ৩ জন, ডিব্ৰুগড়ত ৩ জন আৰু নগাঁৱত ৩ জন ৰোগীৰ মৃত্যু হৈছে। বৰ্তমান ৰাজ্যত কভিড সক্ৰিয় অৰ্থাৎ পজিটিভ হৈ আছে ৩১ হাজাৰ লোক।

## গুৱাহাটীৰ দুটা মন্দিৰ, এটা

এটা নামঘৰত দুৰ্বৃত্তই তাণ্ডৱ চলায়। দুৰ্বৃত্তই ভগৱানৰ মৃন্ময় প্ৰতিমাৰ ক্ষতিসাধন কৰাৰ লগতে দানপাত্ৰ ভাঙি নগদ ধনসহ মূল্যবান সামগ্ৰী চুৰি কৰি লৈ যায়। ইতিমধ্যে মন্দিৰ আৰু নামঘৰ কমিটীয়ে এই সন্দৰ্ভত স্থানীয় পল্টন বজাৰ আৰু ভৰলুমুখ থানাত এজাহাৰ দাখিল কৰিছে। আনহাতে বিজেপি নেতা প্ৰমোদ স্বামীয়ে নিশা দুৰ্বৃত্তই তাণ্ডৱ চলোৱা মন্দিৰ আৰু নামঘৰ পৰিদৰ্শন কৰি বুজ লয় আৰু ঘটনাৰ নিন্দা কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ঘটনাৰ তদন্তৰ লগতে দোষীক শাস্তি দিয়াৰ দাবী জনায়। এই সন্দৰ্ভত ৰাম জানকী মন্দিৰৰ মহন্ত ৰাম কিশোৰ দাস ত্যাগীয়ে কয় তেওঁ ৪০ বছৰ ধৰি মন্দিৰত পূজা কৰি আহিছে। প্ৰথমবাৰৰ বাবে মন্দিৰত দুৰ্বৃত্তই লুটপাট চলাই প্ৰাচীন হনুমানৰ মূৰ্তি ভাঙি পেলাইছে। তেনেদৰে সৰস্বতী আৰু শিৱ মন্দিৰৰ শিৱলিংগটো ভাঙি ক'ৰবাত পেলাই দিছে। তেনেদৰে নামঘৰতো চুৰি কৰিছে। ১৯৯০ চনত নিৰ্মাণ কৰা সৰস্বতী মন্দিৰটো ২০১৪ চনত তদানীন্তন কংগ্ৰেছ চৰকাৰৰ আমোলত জি এম চি য়ে উচ্ছেদ অভিযান চলাই ভাঙি পেলাইছিল। কিন্তু পৰৱৰ্তী সময়ত মন্দিৰটো পুনৰ নিৰ্মাণ কৰা হয়। ইফালে স্থানীয় লোকসকলে আৰক্ষীক শীঘ্ৰে দুৰ্বৃত্তক বিচাৰি উলিয়াই শাস্তি দিয়াৰ বাবে দাবী জনাইছে।

## মিত্ৰ বিধায়কৰে প্ৰথম বৈঠক

শৰ্মাই কেইবাজনো বিধায়কক একোজন কেবিনেট মন্ত্ৰীৰ সৈতে সু পৰিকল্পনা তথা সুচাৰুৰূপে কাম-কাজ সমাপনৰ লক্ষ্যৰে মিত্ৰ বিধায়ক গোট গঠন কৰি দিছিল। মন্ত্ৰী দাসে আজি তেওঁৰ মিত্ৰ বিধায়ক গোটৰ বিধায়ক ক্ৰমে সিদ্ধাৰ্থ ভট্টাচাৰ্য, অতুল বৰা আৰু পদ্ম হাজৰিকাৰ সৈতে চৰকাৰী বাসভৱনত মিলিত হৈ ৰাজ্যখনৰ সাম্প্ৰতিক সময়ৰ ৰাজনৈতিক, আৰ্থ-সামাজিক তথা উন্নয়নমূলক কাম-কাজ সমূহৰ সন্দৰ্ভত আলোচনা কৰে আৰু তেওঁলোকৰ পৰামৰ্শ গ্ৰহণ কৰে। মন্ত্ৰী দাসে আশা প্ৰকাশ কৰে যে মুখ্যমন্ত্ৰীয়ে সতীৰ্থ বিধায়ক সকলৰে গঠন কৰা মিত্ৰ বিধায়ক গোটৰ এই পৰিকল্পনা তথা দূৰদৰ্শী পদক্ষেপে চৰকাৰৰ কাম-কাজত নতুন গতি প্ৰদান কৰিব। মন্ত্ৰী দাসে আজি নিৰ্ধাৰিত দিনৰ এটা দিন পূৰ্বে সতীৰ্থ মিত্ৰ বিধায়ক কেইগৰাকীৰ সৈতে আলোচনাত মিলিত হোৱাৰ উপৰি একেলগে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। উল্লেখ্য, মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰীসভাৰ সদস্যসকলক প্ৰতি মাহৰ প্ৰথম বা অন্তিম মঙলবাৰে মিত্ৰ বিধায়কক লৈ নৈশ ভোজ অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিছিল। মুখ্যমন্ত্ৰী শৰ্মাই নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকা সময়ত এনে পদক্ষেপ লোৱা বুলি সদৰী কৰিছিল।

## নিষেধাজ্ঞা সত্ত্বেও নীলাচলৰ নামনিত শ শ সাধু-সন্ন্যাসীৰ বাহৰ

ভক্তৰ আগমণ হয়। অম্বুবাচী প্ৰবৃত্তিৰ পৰা নিবৃত্তিলৈ এই চাৰিওটা দিনতে সাধু-সন্ন্যাসীসকলে নীলাচল পাহাৰৰ বিভিন্ন মঠ-মন্দিৰ, আশ্ৰম, নিৰিবিলি স্থান আদিত তপ-জপ কৰে। কিন্তু সমগ্ৰ বিশ্বৰ লগতে ভাৰততো কভিড মহামাৰীয়ে কালৰূপ ধাৰণ কৰা হেতু বিগত বৰ্ষৰ লগতে এইবাৰো অম্বুবাচী মহোৎসৱ বাতিল কৰা হয়। যাতে অম্বুবাচী মহোৎসৱত আগমণ হোৱা লাখ লাখ সাধু-সন্ন্যাসী তথা ভক্ত কভিডৰ ছুপাৰ স্প্ৰেডাৰলৈ পৰিণত নহয়। দ্ৰুত গতিত সংক্ৰমণ হোৱা কভিড মহামাৰীৰ পৰা ৰাজ্যবাসী তথা দেশবাসীক ৰক্ষা কৰাৰ স্বাৰ্থত অম্বুবাচী মহোৎসৱ বাতিল কৰা হয় যদিও এইবাৰ অম্বুবাচী উপলক্ষে ভাৰতৰ বিভিন্ন ৰাজ্য বিশেষকৈ পশ্চিম বংগৰ পৰা কিছুসংখ্যক সাধুৰ আগমণ হৈছে। এই সাধুসকলে কামাখ্যা মন্দিৰৰ পাদদেশত নিজৰ বাহৰ পাতিছে। কিন্তু মন কৰিবলগীয়া বিষয় যে এইসকল সাধু সন্ন্যাসীৰ ভ্ৰূক্ষেপ নাই কভিড মহামাৰীৰ প্ৰতি। কভিড প্ৰটকল উলংঘা কৰি এওঁলোকে গাতে গা লগাই শুই-বহি কটাইছে। নামনি কামাখ্যাৰ বিভিন্ন স্থানলৈ, দোকান, বজাৰলৈ গৈছে। এনে ক্ষেত্ৰত যদিহে এইসকল লোকৰ পৰা কভিডৰ সংক্ৰমণ হয় তেনেহ'লে ইয়াৰ বাবে দায়ী কোন হ'ব? জিলা প্ৰশাসনক এইক্ষেত্ৰত শীঘ্ৰে বিহীত ব্যৱস্থা ল'বলৈ সচেতন ৰাইজে অনুৰোধ জনাইছে।


অসম চৰকাৰ

# কৃতজ্ঞতা

কভিড-১৯ৰ টিকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড' হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি | ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|---|---|
| মাষ্টৰ গীত কাশ্যপ (গোলদা) | ২০০ টকা | ৰুদ্ৰকান্ত শৰ্মা | ১০,০০০ টকা |
| জিয়াউল হক | ২০,০০০ টকা | ৰাম স্বৰূপ পাত্তিয়া | ১০,০০০ টকা |
| সুখেন চন্দ্ৰ ৰায় | ১,০০০ টকা | অনিল দেব চৌধুৰী | ১০,০০০ টকা |
| ৰেখা নৱালিয়া | ৫১ টকা | নবাম অৰিন হীনা | ১,০০০ টকা |
| পুৰুন্দৰ পাটগিৰি | ১১ টকা | নিশি সিংহ | ১০৯ টকা |
| অমিত পাল | ১৫,০০০ টকা | মনজিৎ দত্ত চৌধুৰী | ১,০০০ টকা |
| মেচাৰ্চ এছ.এফ. এণ্টাৰপ্ৰাইজ | ১০,০০০ টকা | দীপাঙ্কৰ বৰা | ২,০০০ টকা |
| নিপন দাস | ৫,০০০ টকা | সুনীল ডেকা | ৫০০ টকা |
| বাবুৰাম সোনাৰ | ১,১২৪ টকা | আজল নমশুদ্ৰ | ৫০ টকা |
| ৰুদ্ৰপ্ৰসাদ উপাধ্যায় | ১০,০০০ টকা | অমিত সিং | ৫০ টকা |
| এন.এ. এণ্টাৰপ্ৰাইজ | ৩,০০,০০০ টকা | শাৰৰ শেঠীয়া | ১০,০০০ টকা |
| প্ৰণৱজ্যোতি লাহন | ১০১ টকা | মৃণ্ময় বৰুৱা | ৫,০০০ টকা |
| জগত চন্দ্ৰ হাজৰিকা | ৪০,০০০ টকা | নেইম উদ্দিন | ৩০ টকা |
| বিতুপন দলে | ১,০০,০০০ টকা | সীথালক্ষ্মী মুকপাপোপৰ্থী এম | ১০ টকা |
| মাধৱ দাস | ১,০০০ টকা | বিচিত্ৰ বৰা | ২ টকা |
| বীভাৰাণী ডি শইকীয়া | ২৫,০০১ টকা | অনিৰ্বাণ ঘোষ | ১০ টকা |
| মেচাৰ্চ পান্নালাল ৰায় | ১,০০০ টকা | ৰাথমানাৰণ কৃষ্ণন | ১ টকা |
| অংকুৰ বৰা | ২,০০০ টকা | লগেশ্বৰণ এছ | ১ টকা |
| অসীম বঞ্জন | ১১,০০০ টকা | ডেমিছেট্টী সৰিথা | ৫০ টকা |
| বিষ্টুমণি শইকীয়া | ১০,৫৩১ টকা | দেৱৰ্ষি বৰুৱা | ৫০০ টকা |
| দুৰ্লভ দত্ত | ৫,০০০ টকা | এছ ইলাভৰাছন | ১০৮ টকা |
| পৰশ গোস্বামী | ১৫১ টকা | গৌতম চৌধুৰী | ১ টকা |
| ছামচুল ইছলাম খান | ৫,০০০ টকা | ঘনশ্যাম টেগৰ | ১ টকা |
| অভিজিত দে | ১,২০১ টকা | আলোক কুমাৰ | ১ টকা |
| মণীষ শীল | ১,০০১ টকা | আভাৰু বি.এল. নৰসিংহা মুৰ্থি | ১ টকা |
| চিন্ময় চৌধুৰী | ৩০০ টকা | ৰবি কুমাৰ প্ৰভালা | ১৫,০০০ টকা |
| সুপ্ৰতীক ৰায় | ১০১ টকা | শিৱম মিশ্ৰ | ৮.৮২ টকা |
| তনেজা এণ্ড কোম্পানী | ২,১০০ টকা | হাৰ্দিক মুকেশকুমাৰ ষোনি | ১ টকা |
| ৰবীন্দৰ কৌৰ | ৫০০ টকা | বধুৰাজ এছ. অ. প্ৰভুদয়াল | ১ টকা |
| শিৱসুব্ৰমণিয়ন গণেশ | ২৫ টকা | প্ৰিয়ম মুণ্ডা | ৫৩১ টকা |
| অভিজিৎ ভৌমিক | ১ টকা | নীলাক্ষি সোণোৱাল | ৫০ টকা |
| অমন চৌধুৰী | ৫,০০০ টকা | বিক্ৰমজিৎ দেৱান | ১ টকা |
| অতনু মণ্ডল | ৪০০ টকা | শৈলেন দাস | ৪ টকা |
| অমিত বৰ্মন | ১,০০০ টকা | এবিন চাকো | ১০০ টকা |
| খেম প্ৰসাদ উপাধ্যায় | ২০০ টকা | আয়ুষ আগৰৱাল | ১০ টকা |
| আক্ৰাম আনচাৰী | ১,০০০ টকা | বিনোদকুমাৰ জে | ১০ টকা |
| ৰোহিত | ১০০ টকা | সমীৰ ৰমেশ দাণ্ডেকাৰ | ১০০ টকা |
| ৰুনদীৰ চন্দ | ১১,০০০ টকা | অনিশা ফুকন | ১,০০০ টকা |
| অলিভিয়া ভূঞা | ১,০০০ টকা | সদানন্দ পেগু | ১ টকা |
| দেৱপ্ৰাঞ্জল চহৰীয়া | ১,০০০ টকা | ৰুনদীৰ দত্ত | ১০০ টকা |
| চন্দন মল্লিক | ২,৫০০ টকা | ৰোহন দাস | ৩.০৫ টকা |
| জোৎস্না চেতিয়া | ১০,০০০ টকা | পৰশ ভূঞা | ১০০ টকা |
| হৃষীকেশ ৰমনি | ৫,০০১ টকা | ভাৰ্গৱ বৰা | ১০ টকা |
| প্ৰিন্সী কাকতি | ১,৫০০ টকা | নগেন্দ্ৰ প্ৰতাপ সিং | ৫০১ টকা |
| অঞ্জনজ্যোতি ভড়ালী | ২০০ টকা | অনিন্দিতা বৰুৱা শৰ্মা | ১০ টকা |
| চন্দ্ৰশেখৰ ভট্টাচাৰ্য | ১০,০০০ টকা | কৌশিক নয়ন শৰ্মা | ১০০ টকা |
| সত্যজিৎ নাথ | ৫০০ টকা | সুমন বৰ্মা | ২০ টকা |
| পূৰ্ণ নাথ | ৫০০ টকা | বন্দি চৈতন্য কৃষ্ণ বেৰডী | ১০ টকা |
| আৰ.এছ. ৰমেশ | ১,০০১ টকা | বিশ্বনাথ শৰ্মা | ৫০০ টকা |
| প্ৰণয়জ্যোতি ওজা | ৫০০ টকা | গৌতম চমুৱা | ১ টকা |
| দেৱাশীষ বক্সী | ৫০০ টকা | ভাস্কৰ পেগু | ১ টকা |
| ড' অনন্ত ভূঞা | ৫,০০০ টকা | পুলক ফুকন | ১.৫ টকা |
| ড' কৈচাম ৰাদাপ্যাৰী | ১১,০০০ টকা | ৰাহুল কৰ্মকাৰ | ২০১ টকা |
| মিহিৰা দাস | ৫০০ টকা | দুলাল চন্দ্ৰ দত্ত | ১,০০১ টকা |
| দীনেশ সিন্‌হা | ১০০ টকা | জ্যোতি গগৈ | ৫০০ টকা |
| হিমাবন্ত সাহা | ১,০০০ টকা | পাৰ্থ প্ৰতীম বৈশ্য | ১০ টকা |
| বিশ্বজিৎ দাস | ২০০ টকা | অৰূপ ৰায় | ২১ টকা |
| মনোজ কুমাৰ | ২,০০১ টকা | নিৰঞ্জন কলিতা | ৫০০ টকা |
| ধনীন্দ্ৰ কুমাৰ সুৰাণা | ২,০০০ টকা | সঞ্জীৱ গগৈ | ৫০০ টকা |
| স্বাশ্বত নাথ | ১০,০০০ টকা | অমৰজ্যোতি দাস | ১ টকা |
| বৌচন কুমাৰ | ২৫১ টকা | ভৱ ডেকা | ৫ টকা |
| নন্দিল বিশ্ব শৰ্মা | ২,০০০ টকা | আজিজ হুছেইন | ৫০০ টকা |
|  |  | ভিতালী গগৈ | ৩১ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ :
35969660230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

Janasanyog/D/1418/21

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Follow Us /@diprassam https://dipr.assam.gov.in/



**ASSAM POWER DISTRIBUTION COMPANY LIMITED**
*A fully customer centric company*

SHORT TENDER NOTICE

NIT No. APDCL/CGM/PP&D/JAIFA/DTR Metering/2021/1 dtd. 21.06.2021

The Chief General Manager (PP&D), APDCL, Bijulee Bhawan, 6th Floor, Paltan Bazar, Guwahati-781001 invites tenders for **Supply, installation, testing, configuration & commissioning of 3-Phase 4 Wire DLMS Compliant LT Tri vector Meters (Category C) along with 4G AMR Modems for selected DTRs under APDCL.** The bid document along with all relevant information will be available for download at www.apdcl.org and www.assamtenders.gov.in.

Sd/- Chief General Manager (PP&D), APDCL
6th Floor, Bijulee Bhawan, Guwahati-1

*Please pay your energy bill on time and help us to serve you better!*

**OFFICE OF THE REGISTRAR::
ASSAM WOMEN'S UNIVERSITY
ROWRIAH, JORHAT-785004**

Dtd. 20/06/2021

ADVERTISEMENT NO. AWU 2/2021

Assam Women's university Jorhat is seeking applications for the post of Vice Chancellor. Interested candidates who are eligible as per UGC norms may arrange to send their applications in the prescribed format which is available in the University's website. The last date of receipt of both the hard and soft copy of the applications of the prospective candidate at the following address has been extended till 5th July, 2021

Addl. Secretary to the Hon'ble Governor of Assam
Governor's secretariat,
Raj Bhavan, Guwahati 781001
Email id: govsecassam@gmail.com

Sd/-
REGISTRAR
AWU, JORHAT

REOI No. ASRLMS/SA/4136/2021-22/09

**REQUEST FOR EXPRESSION OF INTEREST (REOI) FOR APPOINTMENT OF STATUTORY AUDITOR FOR CONDUCTING STATUTORY AUDIT OF ASRLMS FOR FY 2020-21.**

Assam State Rural Livelihoods Mission (ASRLM) invites "Expression of Interest" from the eligible Chartered Accountancy (CA) Firm empaneled with the Comptroller & Auditor General of India for forconducting Statutory Audit of ASRLMS for FY 2020-21. The detailed Expression of Interest along with Terms of Reference may be obtained from official website of ASRLMS i.e. **www.asrlms.assam.gov.in** under Procurement Section. Interested Bidders must submit the EOI proposal in hard copy on or before **8th July 2021** upto **3:00 PM** in the following Address:- The State Mission Director, Assam State Rural Livelihoods Mission Society, SivanathGogoi Path, Panjabari, Guwahati-37, Assam.

State Mission Director
Assam State Rural Livelihoods Mission Society,
SivanathGogoi Path, Panjabari, Guwahati-37, Assam
Janasanyog/CF/321/21

[illegible] https://www.mstcecommerce.com [illegible]

[illegible] www.mstcecommerce.com [illegible] www.hindpaper.in [illegible]

[illegible] liquidator.hindpaper@gmail.com [illegible]

[illegible] www.hindpaper.in [illegible]

IBBI Regn No.IBBI/IPA-001/IP-P00014/2016-17/10038

[illegible] kuverma@gmail.com [illegible]

**AFFIDAVIT**

By an affidavit (SL. No.4847/2021) sworn before the Notary at Golaghat on 03.06.2021, I have declared that my name has been wrongly recorded in some documents as Katia Borah which is my nick name. But my actual name is Tularam Borah. Katia Borah and Tularam Borah is the same and one person.
**Tularam Borah**
S/o. Phonidhar Borah
R/o. Phulbari Gaon
P.O.- Murphulani
P.S. & Dist.- Golaghat
J87905

I have declared vide an affidavit (SL. No.6465/21) before the Notary at Golaghat on 26.04.2021 that in some documents my name has been wrongly recorded as Nripen Tamuly instead of Bhoban Thengal. Bhoban Thengal and Nripen Tamuly is the one and single person.
**Bhoban Thengal**
S/o. Haruram Thengal
R/o. No.1 Panka Gaon,
P.O.- Kanaighat, P.S. &
Dist.- Golaghat
J87906

By an affidavit (SL.No.5570/2021) sworn before the Notary at Golaghat on 14.06.2021, I have declared that my name has been wrongly recorded in some documents as Devakanta Boruah instead of Mridul Boruah. Mridul Boruah and Devakanta Boruah is the same and one person
**Mridul Boruah**
S/o. Suren Boruah
R/o. Chokial Gaon
Ward No.3, P.O. & P.S.-
Dergaon, Dist.- Golaghat
J87907

By an affidavit (SL.No.13039/2020) sworn before the Notary at Golaghat on 13.10.2020, I have declared that my name has been wrongly recorded in some documents as Junu Moni Borah instead of my actual name Tunumoni Saikia and my husband's name appears as Boon Borah instead of Hun Bora.
**Tunumoni Saikia**
D/o. Liladhar Saikia
P.O.- Molua Habi, P.S. &
Dist.- Golaghat
J87908